## অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চতুৰ্থ স্থানেৰে 'নাক'ৰ এ+ গ্ৰেড

# গোৱালপাৰা মহাবিদ্যালয়ত উখল-মাখল পৰিৱেশ

নিজা বাতৰি দিওঁতা

**গোৱালপাৰা, ২০ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অগ্ৰণী শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যৰ্পণ পৰিষদৰ, চমুকৈ 'নাক'ৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে চতুৰ্থ স্থানেৰে 'এ প্লাছ গ্ৰেড, লাভ কৰাৰ আনন্দত আজি মহাবিদ্যালয় প্ৰাংগনত আয়োজন কৰা হয় আনন্দ মহোৎসৱ। বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা, গীত-নৃত্য-বাদ্য মাংগলিক ধ্বনিৰে উলিওৱা বিশাল শোভাযাত্ৰাত বাটৰুৱা পথিকৰ চিত্ত আকৰ্ষণ কৰে। মহাবিদ্যালয়ৰ নৱ নিৰ্মিত সভা গৃহত আয়োজিত 'গোৱালপাৰা' মহাবিদ্যালয় আৰু ভৱিষ্যতৰ স্বৰ্ণিল যাত্ৰাৰ পৰিকল্পনা শীৰ্ষক অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী মাণ্ডলী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষী, চুবুৰীয়া মহাবিদ্যালয়সমূহৰ অধ্যক্ষবৃন্দ অৱসৰপ্ৰাপ্ত তথা প্ৰাক্তন অধ্যাপক কৰ্মচাৰীসকলকে ধৰি শুভাকাংক্ষীসকলে পাৰ ভাঙি যোৱা উৎসাহেৰে অনুষ্ঠানত অংশ লয়। সহ অধ্যাপিকা ডঃ ৰশ্মি দাসে আঁত ধৰা আৰু অধ্যক্ষ ডঃ সুভাষ বৰ্মণে সভাপতিত্ব কৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ সুখ্যাতিত অৰিহণা যোগোৱা সৰ্বস্তৰৰ সকলোকে সম্বৰ্দ্ধনা জনোৱা হয়। লগতে কৃতজ্ঞতা প্ৰকাশ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, শিক্ষাবিদ, ভূগোল বিজ্ঞানী, অধ্যাপক ডঃ অৱনী কুমাৰ ভাগৱতী, অধ্যাপক উত্তম শৰ্মা, অধ্যাপক দেৱান জয়নাল আবেদিন, প্ৰাক্তন অধ্যক্ষ ডঃ কাছিম আলী আহমেদ, অধ্যাপক ডঃ মছৰাফুদ্দিন আহমেদ, প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাস, দিলীপ কুমাৰ শৰ্মা, হাবাঘাট কলেজৰ অধ্যক্ষ ডঃ মণ্টু দাস, লক্ষীপুৰ কলেজৰ অধ্যক্ষ ডঃ প্ৰকাশ বিশ্বাস বেষ্ট গোৱালপাৰা কলেজৰ অধ্যক্ষ ডঃ মনীষা ভট্টাচাৰ্য, অধ্যাপক ডঃ ৰঞ্জিত চৌধুৰী, অধিবক্তা মনোৱাৰ হুছেইন, ছাত্ৰ নেতা অভিজিত নাথ, শিক্ষাবিদ ডঃ অহিজুদ্দিন শ্বেখে ভাষণ দিয়ে। সভাত বক্তাসকলে মহাবিদ্যালয়খনৰ এটি এশ বিঘা মাটিৰ নতুন চৌহদ গঠন কৰিবলৈ মত প্ৰকাশ কৰে।